# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-04-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসনৰ বাবে দাখিল কৰা ৭ হাজাৰ ১৭৪খন মনোনয়ন পত্ৰৰ ভিতৰত ১৮৯খন মনোনয়ন পত্ৰ নাকচ হয় আৰু ছহেজাৰ ৭৬১খন মনোনয়ন পত্ৰ বৈধ বিবেচিত হয়। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা অৰ্থাৎ কালি ২৩৪খন মনোনয়ন প্ৰত্যাহাৰ কৰা হয়। ৩৯৭খন জিলা পৰিষদৰ বাবে আৰু আঞ্চলিক পঞ্চায়তৰ দুহেজাৰ ১৯২খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। গাঁও পঞ্চায়তৰ ২১ হাজাৰ ৯২০খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসকীয় ভাৰতীয় জনতা পাৰ্টীয়ে এই নিৰ্বাচনৰ বাবে পূৰ্ণ শক্তিৰে প্ৰচাৰ চলাইছে। দলটোৱে আজি কাছাৰ জিলাত আনুষ্ঠানিকভাৱে প্ৰচাৰ অভিযান আৰম্ভ কৰে। শিলকুৰিত বিজয় সংকল্প সমাৱেশ আয়োজন কৰি দলটোৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সাংসদ পৰিমল শুক্লবৈদ্য, মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাজনো জ্যেষ্ঠ নেতাই এই সমাৱেশত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, জিলাখনৰ ২৫ খন জিলা পৰিষদ আসনৰ ভিতৰতৰ দুখনত আৰু ১৬২ খন আঞ্চলিক আসনৰ ভিতৰত ৩৫ খনত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি প্ৰাৰ্থী জয়ী হৈছে।

বিৰোধী কংগ্ৰেছ দলে আজি গুৱাহাটীত দলটোৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। দলটোৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত মুকলি কৰা এই ইস্তাহাৰত দলটোৱে পঞ্চায়ত দখল কৰিলে পঞ্চায়তি ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইস্তাহাৰত পঞ্চায়তৰ জৰিয়তে তৃণমূল পৰ্যায়লৈ ক্ষমতা হস্তান্তৰ, জবকাৰ্ডৰ অধিকাৰীক ন্যূনতম ১০০ দিনৰ কৰ্ম নিশ্চিতি আৰু মজুৰি বৃদ্ধিৰ প্ৰতিশ্ৰুতিৰ লগতে পি এম এ ৱাইৰ অৰ্ধনিৰ্মিত ঘৰসমূহ সম্পূৰ্ণ কৰা, আঁচনিৰ অনুমোদনৰ বিত্তীয় বৰ্ষটোতেই নিৰ্মাণকাৰ্য সমাপ্ত কৰা, সময়মতে পুঁজি মুকলি কৰা আৰু সকলো আঁচনিৰ সফল ৰূপায়ণ সুনিশ্চিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। ইয়াৰ লগতে ইস্তাহাৰত আঁচনি নিৰ্ধাৰণ, হিতাধিকাৰী নিৰ্বাচনত হোৱা দুৰ্নীতি, স্বজন-তোষণ, বৈষম্যৰ অৱসান ঘটাই সকলোৰে সম অধিকাৰ, সমবিকাশ সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে।

০০০০

অখিল ভাৰতীয় নেৱাৰ সংগঠনৰ শোণিতপুৰ জিলা সমিতিৰ ত্ৰিবাৰ্ষিক অধিবেশন আজিৰে পৰা জামুগুৰিহাটৰ মঙ্গলবৰীয়া খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। অধিবেশনৰ প্ৰথম দিনা নেৱাৰ সমাজৰ পৰম্পৰাগত অনুষ্ঠান বেল বিবাহ আৰু ব্ৰতবন্ধ অনুষ্ঠানত অৰ্ধশতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। পশ্চিমবংগৰ দাৰ্জিলিঙৰ পৰা অহা নেৱাৰি পুৰোহিতৰ দ্বাৰা এই অনুষ্ঠান সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে গোৰ্খা জনগোষ্ঠীৰ নেৱাৰ সমাজত বিবাহোপযোগ্য ছোৱালীসকলৰ প্ৰথমে বেল গছৰ সৈতে এক ধৰ্মীয় আৰু প্ৰতিকী বিবাহ সম্পন্ন কৰা হয়।

০০০০

শ্ৰীশ্ৰীৰাজহুৱা সত্ৰৰ ভাতৃ সংগঠন শংকৰ মাধৱ সাংস্কৃতিক সমাজৰ উদ্যোগত আজি গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ খেলপথাৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৫ হাজাৰ নামতীয়ে গুৰুজনাৰ অমূল্য সৃষ্টিৰাজী বৰগীত, ঘোষানাম, হোলী গীত, বিয়ানাম আদি পৰিবেশন কৰি চৌপাশে আধ্যাত্মিক পৰিবেশৰ সৃষ্টি কৰে।

এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মন্ত্ৰী জয়ন্ত মল্ল  বৰুৱাই কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আজিৰে পৰা ৫৫০ বছৰ পূৰ্বে নাম গীত, বাদ্য, কলা সংস্কৃতি সৃষ্টি কৰি অসমীয়া জাতিক চহকী জাতি হিচাপে প্ৰতিষ্ঠিত কৰি গৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ – এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

বাতৰি বিভাগে পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

সমাপ্ত